## ধূপধৰা বুঢ়াদল সংঘৰ হীৰক জয়ন্তীত মন্ত্ৰী ৰঞ্জিত দাস

# মথুৰা দাস আতাই আৰম্ভ কৰিছিল প্ৰথম বেংকিং ছিষ্টেম





**নিয়মীয়া বাৰ্তা, ধূপধৰা, ৫ জানুৱাৰী ঃ** ‘গুৰুজনাৰ সৃষ্টিৰাজি জীয়াই ৰাখিব নোৱাৰিলে অসমত অসমীয়াসকল অসমীয়া হৈ জীয়াই নাথাকিব। আজি ধূপধৰাৰ বুঢ়াদল সংঘৰ হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে ১০ পৃষ্ঠাত

# মথুৰা দাস আতাই আৰম্ভ কৰিছিল

এইদৰে কয়। তেওঁ আৰু কয়— বৰপেটীয়াসকল বেপাৰ-বাণিজ্যৰ কাৰণে বিভিন্ন ঠাইত বাহৰ পাতিছিল আৰু ইয়াৰ সমান্তৰালভাৱে তেওঁলোকে গুৰুজনাৰ সৃষ্টিৰাজি সত্ৰীয়া কৃষ্টি-সংস্কৃতিসমূহ ৰাইজৰ মাজত বিলাই দিছিল। তেওঁ আৰু কয়— মথুৰা দাস আতাই প্ৰথম বেংকিং ছিষ্টেম আৰম্ভ কৰিছিল। বৰপেটীয়াসকলে বেপাৰ-বাণিজ্য কৰি উপাৰ্জন কৰা ধনৰ এটা অংশ সঞ্চয় কৰিছিল আৰু সেই সঞ্চয়ৰ ধন আনক বেপাৰ-বাণিজ্য কৰিবৰ বাবে ঋণ দিছিল। বুঢ়া আতাৰ আদৰ্শক সাৱোগত কৰি ধূপধৰাৰ বুঢ়াদলেও এই পৰম্পৰা অটুট ৰাখিছে বুলি জানিব পাৰি মই বৰপেটীয়া হিচাপে আনন্দিত হৈছোঁ। বৰপেটাৰ পৰা বেপাৰ-বাণিজ্যৰ বাবে অহা বৰপেটীয়া লোকসকলে ধূপধৰাত থিতাপি লৈ ১৯৫৮ চনত মথুৰা দাস বুঢ়া আতাৰ আদৰ্শৰে গঠন কৰিছিল বুঢ়াদল নামৰ এটি সংঘ। দুই জানুৱাৰীৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ধূপধৰাৰ ৰাভাপাৰাত আয়োজন কৰা হৈছিল এই সংঘৰ হীৰক জয়ন্তীৰ। হীৰক জয়ন্তীৰ আজি অন্তিম দিনাৰ কাৰ্যসূচী অনুসৰি আবেলি দুই বজাত অনুষ্ঠিত হয় মুকলি সভা। প্ৰাণগোপাল তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী অধীক্ষক ডাঃ প্ৰদীপ দাসে। উদ্বোধনী ভাষণত তেওঁ কয়— সত্ৰনগৰী বৰপেটাৰ পৰা আমাৰ উত্তৰ পুৰুষসকলে ধূপধৰাত বেপাৰ-বাণিজ্য কৰিবৰ বাবে আহিছিল আৰু সমান্তৰালভাৱে বৰপেটাৰ কৃষ্টি-সংস্কৃতিও লৈ আহিছিল। তেতিয়াৰ পৰা ধূপধৰা অঞ্চলত সত্ৰীয়া কৃষ্টি-সংস্কৃতিৰ উত্তৰণৰ বাবে প্ৰচেষ্টা চলাই আহিছে। ইপিনে, মুকলি সভাত 'বুঢ়াদল' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে ধূপধৰাৰ বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈয়ে। তদুপৰি সভাত কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি ভাষণ প্ৰদান কৰে। পুৱা ৯ বজাত অনুষ্ঠিত হয় জী-জোঁৱাই সন্মিলন।